**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-08-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জাগীৰোডত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্ম-সহায়ক গোটৰ ৩৭ হাজাৰতকৈ অধিক মহিলাক ১০ হাজাৰ টকাৰ চেক বিতৰণ কৰে। এই উপলক্ষে মৰিগাঁৱৰ জাগীভকত গাঁৱত আয়োজিত অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে মৰিগাঁও জিলাৰ জাগীৰোড সমষ্টিৰ ৩৮ হাজাৰ উদ্যমী মহিলাক আৰ্থিকভাৱে সবল কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টা ৰাজ্যৰ ভিতৰতে একক আৰু অনন্য। তেওঁ কয়, যে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে ৰাজ্যখনৰ মহিলাসকলৰ বাবে স্বাৱলম্বিতাৰ বাট প্ৰশস্ত কৰাৰ প্ৰয়াস কৰা হৈছে। বৰ্তমান সময়ত প্ৰতিখন আঁচনি প্ৰতিশ্ৰুতিৰ পৰা আৰম্ভ হৈ কাৰ্যত পৰিণত হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে বিশেষকৈ নাৰী সৱলীকৰণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতি কেৱল নীতি নহয়, বৰং এই দিশত এটা সবল পদক্ষেপ। ড° শৰ্মাই অৰুণোদয় আৰু নিযুত মইনাৰ দৰে অভিলাষী আঁচনিসমূহৰ লগতে মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানে ৰাজ্যখনৰ সৰ্বাংগীন উন্নয়নক নতুন গতি প্ৰদান কৰিব বুলি উল্লেখ কৰে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী শৰ্মাই আজি মায়ঙৰ ভকতগাঁৱত জাগীৰোড সম জিলা আয়ুক্ত কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পই প্ৰশাসনিক আন্তঃগাঁথনি শক্তিশালী কৰাৰ উপৰি জনসাধাৰণে কম সময়ৰ ভিতৰত উপযুক্ত সেৱা লাভ কৰাটো নিশ্চিত কৰিব বুলি আশা কৰা হৈছে। ড° শৰ্মাই আজি জাগীৰোডৰ টাটা ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলীত ১৪২ কোটি টকা ব্যয়সাপেক্ষে কৰ্মজীৱী মহিলাৰ এটা আৱাসৰ আধাৰশিলা স্থাপন কৰে। ৮৩০ খন বিছনাযুক্ত ১০ মহলীয়া এই আৱাসগৃহত আধুনিক আন্তঃগাঁথনি, পৰিৱেশ অনুকুল ব্যৱস্থা তথা চাইকেল চলোৱাৰ বাবে উপযুক্ত ব্যৱস্থা থাকিব।

০০০০০০০

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলৰ শেহতীয়াকৈ উচ্ছেদ অভিযান চলোৱা বিদ্যাপুৰত আজি অসম আৰু নাগালেণ্ড চৰকাৰে এখন বৈঠকত মিলিত হয়। দুয়োখন ৰাজ্যৰ জনপ্ৰতিনিধি তথা প্ৰশাসনিক বিষয়াসকলে উচ্ছেদিত স্থান আৰু গছপুলি ৰোপণ কাৰ্যসূচী নিৰীক্ষণ কৰে। নাগালেণ্ডৰ উপ-মুখ্যমন্ত্ৰী ৱাই পাটুন, ভাণ্ডাৰী সমষ্টিৰ বিধায়ক আছাম্বেঅ' কিকন, ঊষা সমষ্টিৰ বিধায়ক ৱাই মহেম' ন'বেঅ' হুমেছেৰ উপৰি ৰাজ্যখনৰ কেইবাগৰাকী উচ্চপদস্থ আৰক্ষী বিষয়াই সমগ্ৰ পৰিস্থিতি নিৰীক্ষণ কৰে । অসম চৰকাৰৰ হৈ বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, স্থানীয় বিধায়ক বিশ্বজিৎ ফুকন, গোলাঘাট জিলা আয়ুক্ত পুলক মহন্ত আৰু আৰক্ষী অধীক্ষক ৰাজেন সিঙৰ লগতে বন বিভাগৰ কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে। দুয়োখন চৰকাৰৰ প্ৰতিনিধিসকলৰ উপস্থিতিত উচ্ছেদিত অঞ্চলসমূহত গছপুলি ৰোপণ কৰা হয়।

ইপিনে, উচ্চতম ন্যায়ালয়ে উৰিয়ামঘাটৰ উচ্ছেদ অভিযানত স্থগিতাদেশ জাৰি কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে ৭৩ টা পৰিয়ালে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ পি নৰসিমহা আৰু

অতুল চন্দ্রুকাৰৰ বিচাৰপীঠে পৰৱৰ্তী শুনানি পৰ্যন্ত এই স্থগিতাদেশ জাৰি কৰে। উচ্চতম ন্যায়ালয়ে এই সন্দৰ্ভত অসম চৰকাৰ আৰু গোলাঘাট জিলা প্ৰশাসনলৈ জাননী জাৰি কৰিছে।

গোৱালপাৰা জিলা প্ৰশাসনে আজি মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত ৰাক্ষসিনী অঞ্চলত উচ্ছেদ অভিযান চলাই ১০৫ খন ব্যৱসায়িক প্ৰতিষ্ঠান উচ্ছেদ কৰে। গোৱালপাৰা চহৰৰ ময়লাপথাৰ বজাৰৰ পৰা শিল বজাৰলৈকে লোকনিৰ্মাণ বিভাগৰ পথৰ কাষত চৰকাৰী মাটি দখল কৰি দীৰ্ঘদিনৰ পৰা ব্যৱসায় চলাই অহা এই প্ৰতিষ্ঠানসমূহক সেই ঠাই এৰি যাবলৈ প্ৰশাসনে পূৰ্বেই জাননী জাৰি কৰিছিল। কিন্তু ব্যৱসায়-প্ৰতিষ্ঠানসমূহে সেই ভূমি ত্যাগ নকৰাত প্ৰশাসনে উচ্ছেদ চলায়।

নগাঁও জিলা প্ৰশাসনেও ধিং ৰাজহ চক্ৰৰ অধীনৰ ডাগৰ আৰু আলিটাঙনি মৌজাৰ জেঙনি তিনিআলিত উচ্ছেদৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। অহা ২৭ আগষ্টত এই অঞ্চলকেইটাত উচ্ছেদ অভিযান চলোৱা হ'ব।

০০০০০০০

———ইউ পি পি এলৰ সভাপতি প্ৰমোদ বড়োৱে আজি সমাগত বড়োলেণ্ড পৰিষদীয় নিৰ্বাচন উপলক্ষে বিশ্বনাথ জিলাৰ গহপুৰত নিৰ্বাচনী প্ৰচাৰ চলায়। বড়োলেণ্ড পৰিষদীয় অঞ্চলৰ সীমা পুনৰ নিৰ্ধাৰণ হোৱাৰ পাছত এইবাৰ গহপুৰৰ এটা অঞ্চলো বিটিআৰৰ অন্তৰ্গত হৈছে। বিশ্বনাথৰ গহপুৰলৈ বিটিআৰ সম্প্ৰসাৰিত হোৱাৰ পাছত প্ৰথমবাৰৰ বাবে গহপুৰৰ বৰপুখুৰীত ইউ পি পি এলৰ সভাপতিগৰাকীয়ে নিৰ্বাচনী প্ৰচাৰ চলায়। ইউ পি পি এলৰ ধনশিৰি সমষ্টিৰ প্ৰাৰ্থী ৰুজুগ্ৰা মুছাহাৰীৰ হৈ প্ৰচাৰ চলাই প্ৰমোদ বড়োৱে বি পি এফৰ নেতা হাগ্ৰামা মহিলাৰীক তীক্ষ্ণ সমালোচনা কৰে। হাগ্ৰামা মহিলাৰীয়ে ১৭ বছৰে বি টি আৰৰ কি উন্নয়ন কৰিলে তাৰো খতিয়ান দিবলৈ আহ্বান জনায়।

০০০০০০০

ওদালগুৰি জিলা সাহিত্য সভাৰ উদ্যোগত প্ৰেছিডেন্সি ছিনিয়ৰ চেকেণ্ডাৰী স্কুলত, বিদ্যালয়খনৰ সহযোগত অসমৰ সদ্যপ্ৰয়াত নাট্যকাৰ, পৰিচালক, গীতিকাৰ হেমন্ত দত্তৰ স্মৃতিত এখন বক্তৃতা অনুষ্ঠান আয়োজিত হয়। বক্তৃতানুষ্ঠানটোত মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক জয়ন্ত কুমাৰ চক্ৰৱৰ্তী সমল ব্যক্তি হিচাপে ভাগ লৈ অসম সৌৰ বঁটা প্ৰাপক হেমন্ত দত্তৰ জীৱন আৰু কৃতি সন্দৰ্ভত তথ্য সমৃদ্ধ ভাষণ আগবঢ়ায়।

০০০০০০০

ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা আৰু উচ্চ শিক্ষা বিভাগে অহা ৫ ছেপ্তেম্বৰত ডঃ সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মদিন উপলক্ষে তেজপুৰ বিশ্ববিদ্যালয় প্ৰেক্ষাগৃহত শিক্ষক দিৱসৰ প্ৰস্তুতি চলাইছে। এই সন্দৰ্ভত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে যোৱানিশা দুয়োটা বিভাগৰে শীৰ্ষ বিষয়াসকলৰ সৈতে আলোচনা কৰি পৰিকল্পনা প্ৰস্তুত কৰে। উল্লেখযোগ্য যে চলিত বৰ্ষৰ ৰাজ্যিক কৃতি শিক্ষক বঁটাৰ বাবে মনোনীত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ নাম অহা ৩ ছেপ্তেম্বৰত ঘোষণা কৰা হ'ব। এই বছৰ ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যায়ন পৰিষদ, নাকৰ দ্বাৰা এ প্লাছ আৰু এ গ্ৰেড লাভ কৰা মহাবিদ্যালয়ৰ লগতে গৱেষণাৰ জৰিয়তে পেটেণ্ট লাভ কৰা শিক্ষকসকলকো সম্বৰ্ধনা জনোৱা হ'ব বুলি শিক্ষামন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**